**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি ছে'চেলছ অভিমুখে ৰাওনা হৈছে।

২। ভেনিজুৱেলাত দুটাকৈ শক্তিশালী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ৯২০ লৈ বৃদ্ধি পাইছে। ভাৰতে দেশখনৰ প্ৰতি সঁহাৰি জনাই অপাৰেচন এমিষ্টেড মুকলি কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটত দেশৰ প্ৰথমটো সমবায়ভিত্তিক টেক্সী সেৱা **ভাৰত টেক্সী** মুকলি কৰিব।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। ***আৰু***

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশাৰ এখন খেলত ফ্ৰান্সে ন'ৰৱেক ৪-১ গ'লত আৰু ছেনেগালে ইৰাকক ৫-০ গ'লত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি ছে'চেলছ অভিমুখে ৰাওনা হৈছে। শ্ৰীমোদীয়ে এই ভ্ৰমণকালত ছেচেলছৰ ৰাষ্ট্ৰীয় দিৱসৰ সোণালী জয়ন্তীৰ অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ২০১৫ চনত তেওঁ শেষবাৰৰ বাবে দেশখন ভ্ৰমণ কৰিছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে এই অনুষ্ঠানত নৌসেনাৰ দুখন জাহাজৰ লগতে ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ এটা দলে অংশ ল'ব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে ছেচেলছৰ ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনীক সাক্ষাৎ কৰি দ্বিপাক্ষিক সহযোগিতাৰ পৰ্যালোচনা কৰাৰ উপৰি পাৰস্পৰিক স্বাৰ্থ সম্বলিত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ত মত বিনিময় কৰিব। শ্ৰীমোদীয়ে দেশখনৰ নেচনেল এছেম্বলিত ভাষণ দিব আৰু প্ৰবাসী ভাৰতীয় সকলৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে ভাৰত আৰু ছেচেলছৰ মাজত ঐতিহাসিক, সাংস্কৃতিক আৰু জনসাধাৰণৰ সম্পৰ্কৰ আধাৰত দীৰ্ঘদিনীয়া অংশীদাৰিত্ব আছে। ভাৰত মহাসাগৰ খণ্ডত গুৰুত্বপূৰ্ণ সামুদ্ৰিক চুবুৰীয়া ৰাষ্ট্ৰ হিচাপে ভাৰতৰ **মহাসাগৰ** দৰ্শন আৰু গোলকীয় দক্ষিণৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ দিশত ছেচেলছ অন্যতম গুৰুত্বপূৰ্ণ দেশ হিচাপে বিবেচিত হৈছে।

০০০০০

ভেনিজুৱেলাত দুটাকৈ শক্তিশালী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ৯২০ লৈ বৃদ্ধি পাইছে। ভূমিকম্পত প্ৰায় ৩ হাজাৰ ৩০০ লোক আহত হোৱাৰ বাতৰি পোৱা গৈছে। উদ্ধাৰকাৰীসকলে দেশখনৰ ৰাজধানী চহৰ কাৰাকাছৰ সমীপৰ ভূমিকম্পত ক্ষতিগ্ৰস্ত স্থানসমূহৰ পৰা আহত লোকসকলৰ জীৱন বচোৱাৰ চেষ্টা অব্যাহত ৰাখিছে। কাৰাকাছ আৰু ইয়াৰ সমীপৰ উপকূলীয় চহৰ লা গুৱাইৰাৰ অট্টালিকাসমূহৰ ধবংসাৱশেষৰ মাজৰ পৰা সহায় বিচাৰি মানুহৰ আৰ্তনাদ শুনিবলৈ পোৱা গৈছে। উল্লেখযোগ্য যে দেশখনত যোৱা বৃহস্পতিবাৰে প্ৰথমে ৭ দশমিক ২ প্ৰাবল্যৰ ভূমিকম্পৰ মাত্ৰ কেইছেকেণ্ডমানৰ পাছতে ৭ দশমিক ৫

প্ৰাবল্যৰ আন এটা শক্তিশালী ভূমিকম্পৰ ফলত ভালেসংখ্যক অট্টালিকা ভাঙি পৰাৰ লগতে আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি হয়। ইয়াৰ পাছতে দেশখনৰ ৰাষ্ট্ৰপতি ডেলচি ৰ'ড্ৰিগজে জৰুৰী অৱস্থা ঘোষণা কৰে।

দেশখনৰ এনে দুৰ্যোগৰ সময়ত বিভিন্ন দেশে উদ্ধাৰ অভিযানত সহযোগিতা আগবঢ়াইছে। ভাৰতে ভেনিজুৱেলাৰ বিধবংসী ভূমিকম্পৰ পাছত দেশখনৰ প্ৰতি সঁহাৰি জনাই অপাৰেচন এমিষ্টেড মুকলি কৰিছে। ভেনিজুৱেলাৰ জনসাধাৰণৰ প্ৰতি সহানুভূতি আৰু একতাৰ চিন স্বৰূপে আৰম্ভ কৰা অপাৰেচন এমিষ্টেডৰ জৰিয়তে মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য অভিযান চলোৱা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই অভিযানৰ অংশ হিচাপে আজি পুৱা ভাৰতীয় বায়ুসেনাৰ C-17 গ্ল'বমাষ্টাৰ বিমানখনেৰে মানৱীয় সাহায্য সামগ্ৰী আৰু ৪১ জনীয়া এটা উদ্ধাৰকাৰী দল ভেনিজুৱেলা অভিমুখে ৰাওনা হৈছে। এই সাহায্যসমূহৰ ভিতৰত এটা ভাৰতীয় চিকিৎসা কাৰ্যবাহিনী, ভাৰতীয় সেনাৰ ফিল্ড হাস্পতাল গোট, ৩০ টন সাহায্য সামগ্ৰী, ৬ টন ঔষধ আৰু অন্যান্য চিকিৎসা সামগ্ৰী তথা BHISHM শীৰ্ষক প্ৰজেক্ট আৰোগ্য মৈত্ৰীৰ অধীনত ভাৰতে বিকশাই তোলা দুটা থলুৱা প'ৰ্টেবল হাস্পতাল ব্যৱস্থা আছে। আনহাতে ৪১ জনীয়া দলটোত অভিজ্ঞ উদ্ধাৰকাৰী আৰু চিকিৎসক আছে যিসকলে ভেনিজুৱেলাৰ কৰ্তৃপক্ষৰ সৈতে ক্ষতিগ্ৰস্ত স্থানসমূহত উদ্ধাৰ আৰু সাহায্য অভিযানত অংশ ল'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দেশখনৰ দুৰ্যোগৰ সময়ত ভাৰত তেওঁলোকৰ সৈতে আছে বুলি উল্লেখ কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ গান্ধীনগৰৰ মহাত্মা মন্দিৰত দেশৰ প্ৰথমটো সমবায়ভিত্তিক টেক্সি সেৱা 'ভাৰত টেক্সি' মুকলি কৰিব। তিনিদিনীয়া গুজৰাট ভ্ৰমণলৈ যোৱা শ্ৰী শ্বাহে কেইবাটাও প্ৰকল্পৰ শিলান্যাস আৰু শুভাৰম্ভণি কৰাৰ লগতে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব। আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, উপ-মুখ্যমন্ত্ৰী হৰ্ষ সংঘৱী, সমবায় খণ্ডৰ প্ৰতিনিধি আৰু ৪ হাজাৰৰো অধিক টেক্সি চালকে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ সময়ত শীৰ্ষ প্ৰদৰ্শনকাৰী চালকসকলক প্লেটফৰ্ম শ্বেয়াৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। বিগত বৰ্ষৰ ডিচেম্বৰ মাহত পৰীক্ষামুলকভাৱে আৰম্ভ কৰা এই সেৱাই কেৱল গুজৰাটতে ডেৰ লাখৰো অধিক চালক আৰু সাত লাখ গ্ৰাহক পঞ্জীয়ন কৰি দৈনিক ৩৫০০ৰো অধিক যাত্ৰা সম্পূৰ্ণ কৰিবলৈ সমৰ্থ হৈছে। প্ৰথম অৱস্থাত আহমেদাবাদ, চুৰাট, আৰু বদোদৰাকে ধৰি গুজৰাটৰ ১৪খন ডাঙৰ চহৰত এই সেৱা আৰম্ভ কৰা হ'ব আৰু এমাহৰ ভিতৰত সমগ্ৰ ৰাজ্যখনক সামৰি লোৱাৰ লক্ষ্য লোৱা হৈছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি দুদিনীয়া ভ্ৰমণসূচীৰে কৰ্ণাটকলৈ যাব। তেওঁ আজি কৰ্ণাটকৰ বেংগালুৰুত নন্দপ্ৰভূ শ্ৰীকেম্পেগৌড়াৰ ৫১৭ সংখ্যক জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব। কাইলৈ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজীৱ গান্ধী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা দিৱস আৰু আন্তৰ্জাতিক মাদক দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে আয়োজন কৰা নিচামুক্ত ভাৰত অনুষ্ঠানত অংশ ল'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৫ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

00000

আমেৰিকাই ইৰাণৰ বিৰুদ্ধে আক্ৰমণ অব্যাহত ৰাখিছে। এদিন পূৰ্বে হৰমুজ জলদ্বীপত এখন মালবাহী জাহাজত ইৰাণে ড্ৰ'ন আক্ৰমণ কৰাৰ প্ৰতিশোধত আমেৰিকাৰ প্ৰতিআক্ৰমণ অব্যাহত আছে। আমেৰিকাৰ চেণ্ট্ৰেল কমাণ্ডে চেণ্টকমে জনোৱা মতে, তেওঁলোকৰ বাহিনীয়ে সমগ্ৰ ইৰাণত ক্ষেপণাস্ত্ৰ আৰু ড্ৰ'নক জৰিয়তে ইৰানৰ উপকূলীয় ৰাডাৰ কেন্দ্ৰসমূহ লক্ষ্য কৰি লৈছিল। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে হোৱাইট হাউছত সংবাদমেল সম্বোধন কৰাৰ কিছু সময়ৰ পাছতে এই আক্ৰমণ সংঘটিত হয়। ইফালে, ইৰাণে বহিঃৰাষ্ট্ৰৰ জাহাজসমূহক এই পথ ব্যৱহাৰ নকৰিবলৈ সকীয়াই দিয়াৰ মাত্ৰ কেইঘণ্টামানৰ পিছতে ওমানৰ উপকূলত এখন কণ্টেইনাৰ জাহাজে দুৰ্ঘটনাগ্ৰস্ত হোৱা বুলি বৃহস্পতিবাৰে ব্ৰিটিছ সেনাই প্ৰকাশ কৰে। ইউনাইটেড কিংডমৰ মেৰিটাইম ট্ৰেড অপাৰেচন চেণ্টাৰে জনোৱা মতে, এই আক্ৰমণত কোনো লোক হতাহত হোৱা নাই। ওমানৰ সমীপত বাণিজ্যিক জাহাজখনত আক্ৰমণৰ পিছতে আবদ্ধ জাহাজসমূহ আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সংস্থাই খালী কৰাৰ কাম স্থগিত ৰাখিছে। নিৰাপদে যাত্ৰা কৰিব নোৱাৰা পৰ্যন্ত এই প্ৰক্ৰিয়া অব্যাহত থাকিব বুলি সংস্থাই জানিবলৈ দিছে।

00000

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে নতুন দিল্লীত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৰাষ্ট্ৰীয় গ্ৰামোন্নয়ন সন্মিলন ২০২৬ত অধ্যক্ষতা কৰিব। এই সন্মিলনত গ্ৰামোন্নয়ন মন্ত্ৰী, শীৰ্ষ চৰকাৰী বিষয়া আৰু সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ বিশেষজ্ঞসকলে সৰ্বাংগীণ গ্ৰামোন্নয়নৰ বিভিন্ন দিশ আলোচনা কৰাৰ লগতে এইক্ষেত্ৰত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ কাৰ্যসূচীসমূহৰ পৰ্যালোচনা কৰিব। তেওঁলোকে লগতে গ্ৰাম্য ভাৰতৰ বাবে ভৱিষ্যতৰ ৰূপৰেখা প্ৰস্তুত কৰিব। শ্ৰীচৌহানৰ নেতৃত্বত প্ৰথমবাৰৰ বাবে এনে বৃহৎ পৰিসৰত ৰাষ্ট্ৰীয় গ্ৰামোন্নয়ন সন্মিলন অনুষ্ঠিত কৰা হ'ব। এই সন্মিলনে গাঁওসমূহ বিকাশৰ বাবে কাৰ্যসূচী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যসমূহক একেলগ কৰিব। সন্মিলনত ভি বি জী ৰামজী আঁচনিৰ ৰূপায়ণ, গাঁও পঞ্চায়ত পৰ্যায়ত পৰিকল্পনা শক্তিশালী কৰা আৰু সম্পদৰ উপযুক্ত ব্যৱহাৰ সুনিশ্চিত কৰাৰ দিশত আলোচনা কৰা হ'ব।

00000

ভাৰত আৰু আয়াৰলেণ্ডৰ মাজত বেলফাষ্টত অনুষ্ঠিত দুখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত যোৱা নিশা আয়াৰলেণ্ডে ভাৰতক ৩৪ ৰানত পৰাস্ত কৰে। ক্ৰিকেটৰ যিকোনো ফৰ্মেটত ভাৰতৰ বিৰুদ্ধে এয়া হৈছে আয়াৰালেণ্ডৰ প্ৰথমটো জয়। ভাৰতে ১৬৩ ৰানৰ বিজয়লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ ৫টা বলতে আটাইকেইটা উইকেট হেৰুৱাই ১৪৮ ৰানহে

কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ অভিষেক শৰ্মাই ৫০ আৰু শিবম ডুবেই ২৫ ৰান কৰাৰ বিপৰীতে আন খেলুৱৈসকলৰ প্ৰদৰ্শন আশাব্যঞ্জক নাছিল। আয়াৰলেণ্ডৰ হৈ মেথিউ হ'লাৰ্ড আৰু মেথিউ হামফ্ৰেইজে তিনিটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ঘৰুৱা দলটোৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৮২ ৰান সংগ্ৰহ কৰে। মেথিউ হ'লাৰ্ডক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। প্ৰতিযোগিতাৰ দ্বিতীয় তথা অন্তিমখন খেল কাইলৈ অনুষ্ঠিত হ'ব।

০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা মাছাচুচেটছত অনুষ্ঠিত এখন খেলত ফ্ৰান্সে ন'ৰৱেক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে গ্ৰুপ-আইৰ অন্তিমখন খেলত ছেনেগালে ইৰাকক ৫-০ গ'লত পৰাস্ত কৰে। ফ্ৰান্স বৰ্তমান গ্ৰুপ-আইৰ শীৰ্ষত আছে। দলটোৰ ওছমান ডেম্বেলেই খেলখনৰ প্ৰথমাৰ্ধত হেট্ৰিকেৰে ন'ৰৱেৰ বিৰুদ্ধে ৩-১ৰ অগ্ৰগতিত অৰিহণা যোগায়। ন'ৰৱেৰ হৈ থেল'নিয়াছ আছৰ্গাডে একমাত্ৰ গ'লটো দিয়ে।

প্ৰতিযোগিতাত বৰ্তমান গ্ৰুপ-এইচৰ এখন খেলত কাবু ভাৰ্দে আৰু ছৌদি আৰৱ মুখামুখি হৈছে। একেটা গ্ৰুপৰে উৰুগুৱেৰ বিৰুদ্ধে চলি থকা আন এখন খেলত স্পেইনে ১-০ গ'লত অগ্ৰগতি লাভ কৰিছে।

০০০০০

সমাপ্ত